NIPUN AXOM GIL-30

অসমীয়া

# মৌচাক-১

## (প্ৰথম শ্ৰেণীৰ বাবে পঠন পুস্তিকা)



**প্ৰস্তুতকৰণ**

**ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

**সমগ্ৰ শিক্ষা অসমৰ সহযোগত**

**MOUCHAK-1:** A reading book for class I in Assamese, developed and reviewed by SCERT, Assam through workshops

**ALL RIGHTS RESERVED:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles, reviews or research papers) may be made without written authorization from the SCERT, Assam.

**গ্ৰন্থস্বত্ব ঃ** ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ **২০২৩**

**প্ৰকাশক ঃ**

**মুদ্ৰণ ঃ**

DD/MM/YYYY

সপ্তাহঃ ১

# ছপা সমৃদ্ধ পৰিৱেশ













DD/MM/YYYY

সপ্তাহঃ ২

# ছপা সমৃদ্ধ পৰিৱেশ













........................................


DD/MM/YYYY

সপ্তাহঃ ৩

# প্ৰতীক ভিত্তিক পঠন




কাউৰী




হাতী



গছ



কাছ



বান্দৰ




শালিকা


DD/MM/ YYYY

সপ্তাহঃ ৪-৫

# প্ৰতীক ভিত্তিক পঠন



নাক




মকৰা



বেলি



কলম



বটল




ছাতি


# প্ৰতীক ভিত্তিক পঠন




তৰা




জবা




কল



মাছ



বিলাহী




বল


DD/MM/YYYY

সপ্তাহঃ ৯


# প্ৰতীক ভিত্তিক পঠন




কল



বল



মলম




আম




মালা



কলম



কৰত





ৰবৰ

DD/MM/YYYY

সপ্তাহঃ ১০


# প্ৰতীক ভিত্তিক পঠন



অমৰা



লতা




নাক




কাণ



বেল




মেলা




কমলা




তবলা

DD/MM/ YYYY

সপ্তাহঃ ১১



জবা



নাক



নল



জাল



বানৰ



আখল




নখ




জখলা

DD/MM/YYYY

সপ্তাহঃ ১২



আম খাম



অকণৰ বল



মকৰাৰ জাল




নাৰিকল খাম




ৰজাৰ মালা



ৰতনৰ  নাও





মিনিৰ বল
মিনিৰ মালা





ককাৰ ওল
ককাৰ ঔ





মিলিৰ ককা
মিলিৰ আইতা




ৰমলাৰ কল
ৰমলাৰ অমৰা




ৰামৰ ঊণ
ৰামৰ কলম




বিলত নাও
বিলত জাল

DD/MM/YYYY

সপ্তাহঃ ১৬



কনকৰ নখ
নখত জেতুকা



ইনাৰ বল
বল আন
বল খেল



ৰমেন আহ
ৰমেন বহ
ৰমেন কল খা



মইনাৰ মৰম
মইনাৰ খবৰ
মইনাৰ গৰম



তলা কিন
তলা অনা
তলা মাৰ



ৰিণিৰ ৰে'ল
ৰেল ঐ ৰে'ল!
উকি মৰা ৰে'ল

DD/MM/ YYYY

সপ্তাহঃ ১৭




বৰষুণত নিতিতিবা।



ৰিয়াই কুকুৰক মৰম কৰে।



বেল খাবা, মজা ল'বা।



তিতা কেৰেলা তিতা।



আজি শনিবাৰৰ বজাৰ।



মণিকা বেলুন আনা।




মিলিজুলি খেলিবা।



খুৰাই কাম কৰে।




বৰষুণত নেখেলিবা।



মোৰ ককা বৰ মৰমৰ।



চৰাই আকাশত উৰে।



জিঞ্জা এটি উৰি যায়।



আবেলি মনোজে বল খেলে
বল খেলি মনোজে নানা
ফল খায়।



শালিকা, কুকুৰা, কুলি
এইবোৰ চৰাইৰ নাম।
কুলি চৰাই ক'লা।




চৰাই পাখি মেলি উৰি উৰি
যায়। কণমানি জোনমণিয়ে
জুমি-জুমি চায়।



জাকিৰ এজন খেতিয়ক।
জাকিৰে লাই-কোমোৰাৰ
খেতি কৰে।



আজি আমাৰ মামাৰ বিয়া।
মামাই আমাক মৰম কৰে।



গোলাপ, তগৰ, জবা আমাৰ
ফুলনিত ফুলে।
ফুলনিত ফুলবোৰে নাচে।

মীনাৰ এটা শহা আছে।
তাই সদায় শহাটোৰ লগত খেলে।





মই চিৰিয়াখানালৈ যাম।
চিৰিয়াখানাত বাঘ, হৰিণ, হাতী চাম।

DD/MM/YYYY
সপ্তাহঃ ২২




ৰহিম এজন খেতিয়ক।
ৰহিমে সদায় খেতিৰ কামলৈ যায়।




এইখন আমাৰ বাগিচা।
বাগিচাত গোলাপ, তগৰ, নয়নতৰা ফুল আছে।



কাউৰী এজনীৰ বৰ পিয়াহ লাগিল।
তাই পানী বিচাৰি ফুৰিলে।
তাই কলহ এটাত পানী বিচাৰি পালে।






মেকুৰী এজনীয়ে পাকঘৰত মাছ খাই আছিল।
তাই কুকুৰ এটাৰ মাত শুনিলে।
লগে লগে তাই ঘৰৰ এচুকত সোমাল।

DD/MM/ YYYY

সপ্তাহঃ ২৪




এজন বুঢ়া আছিল।
বুঢ়াই বাৰীত কচুৰ খেতি কৰিছিল।
এদিন ৰাতি এটা শিয়াল বাৰীলৈ আহিল।
শিয়ালটোৱে কচুবোৰ খাই শেষ কৰিলে।



এজনী মেকুৰীয়ে বৰশী বাই আছিল।
মেকুৰীজনীয়ে বৰশীৰে মাছ এটা উঠালে।
কাউৰী এজনীয়ে গছৰ পৰা চাই আছিল।
কাউৰীজনীয়ে মাছটো লৈ উৰা মাৰিলে।




মানসী এদিন মেলা চাবলৈ গৈছিল।
মেলাত ৰিণিক লগ পালে।
দুয়ো একেলগে মেলা চালে।
মেলাত পুতলাৰ দোকানত পুতলা কিনিলে।
লগতে জেলেপী খাই দুয়ো বৰ ৰং পালে।




হীনাই মিঠাই খাই ভাল পায়।
এদিন দেউতাকে তাইক বজাৰলৈ লৈ গৈছিল।
তাই মিঠাইৰ দোকানত মিঠাই খালে।
ভায়েকৰ কাৰণেও মিঠাই কিনি আনিলে।



এটা সিংহৰ মূৰত ওকণি আছিল।
সি চুলি কাটিবলৈ নাপিতক মাতিলে।
নাপিতে ভয় খালে।
ভয়তে সি সিংহৰ চুলি কাটি টকলা কৰিলে।
চুলি দেখি সিংহৰ খং উঠিল।



বেণু, ৰেণু আৰু হেমেনে লুকা-ভাকু খেলি আছে।
বেণু ঘৰৰ চুকত লুকাল।
ৰেণু পিৰালিত লুকাল।
হেমেন গছৰ তলত লুকাল।
আটাইয়ে লুকা-ভাকু খেলি বৰ ৰং পালে।



এইটোনো কি ?
এইটো এটা হাতী।
হাতীটোৱে কি কৰি আছে?
হাতীটোৱে বল খেলি আছে।

মোৰ নাম মনোজ।
মই ছবি আঁকি বৰ ভাল পাওঁ।
মই নীলা ৰংটো বৰ ভাল পাওঁ।
মোৰ ভনীজনীৰ নামো নীলা।




DD/MM/YYYY

সপ্তাহঃ ২৬



ৰাতিৰ আকাশখন দেখিছানে ?
ৰাতি আকাশত জোন ওলায়।
ৰাতি আকাশত তৰাও ওলায়।
ৰাতিৰ ফৰকাল আকাশত তৰা চাবলৈ ভাল।



এইজনী মালা।
মালা মোৰ ভনী।
মালা মোৰ বৰ মৰমৰ।
তাইক সকলোৱে বৰ মৰম কৰে।





## ভালুকৰ বুদ্ধি

এদিন ভালুক এটাৰ কুঁহিয়াৰ খাবলৈ মন গ'ল। সি কুঁহিয়াৰ খেতিলৈ গৈ জোৰে জোৰে চিঞৰিব ধৰিলে। খেতিয়ক এজনে তাতে কাম কৰি আছিল। তেওঁ ভালুকৰ চিঞৰ শুনি ইফালে-সিফালে চাব ধৰিলে। হঠাৎ কুঁহিয়াৰ খেতিৰ মাজত তেওঁ ডাঙৰ ভালুক এটা দেখিলে। ভালুকটো দেখি তেওঁ পলাই গ'ল। তাৰপাছত ভালুকটোৱে আৰামত বহি লৈ হেঁপাহ পলুৱাই কুঁহিয়াৰ খালে।

## কণৰ পুতলা

কণে তাৰ পুতলাটো লগত লৈ একেলগে ৰাতি শুই আছিল। টোপনিত সি বাগৰ সলাওঁতে তাৰ পুতলাটো বিচনাৰ পৰা পৰি গ'ল। সেইখিনি সময়তেই নিগনি এটা সেইপিনেৰে পাৰ হৈ গৈ আছিল। নিগনিটোৱে পুতলাটো তলত পৰি থকা দেখিলে। পুতলাটো বিচনাত তুলি দিবলৈ নিগনিটোৱে এটা বুদ্ধি কৰিলে। নিগনিটো বিচনাত উঠি গৈ কণৰ হাতত কুটকুটাই দিলে। কণ সাৰ পাই পুতলাটো তলৰ পৰা তুলি লগত শুৱাই ল'লে।

## ঝুলনা

কেৰ্কেটুৱা আৰু শহাপহু দুয়ো বন্ধু আছিল। এদিন সিহঁতে গছৰ ডাল এটাত এখন ঝুলনা বান্ধি পাল পাতি ঝুলিব ধৰিলে। তেনেতে তালৈ এটা দুষ্ট বান্দৰ আহিল। বান্দৰটোৱে ঝুলনাখনত উঠি ঝুলিব ধৰোতেই সেইখন ভাগি থাকিল। কেৰ্কেটুৱা আৰু শহাপহুৰ মনত বৰ বেজাৰ লাগিল। ঠিক সেই সময়তে হাতী এটা তালৈ আহিল। হাতীটোৱে দুয়ো বন্ধু দুখত থকা দেখি দুয়োকে শুঁৰ ডালত বহাই ফুৰাবলৈ লৈ গ'ল।





DD/MM/ YYYY

**সপ্তাহঃ ৫-১৫**

## ছবিনাৰ চাইকেল

ছবিনাই নীলা চোলা এটা পিন্ধি চাইকেল চলাই আছিল। তাই বজাৰৰ মাজেদি বৰ বেগেৰে চাইকেলখন চলাই পাৰ হৈ গৈ আছিল। তাইৰ চাইকেলৰ গতি দেখি সকলো অবাক হৈছিল। বতাহৰ কোবত তাইৰ চুলিবোৰ আউলি-বাউলি হৈ গৈছিল। বজাৰৰ মাজেৰে তাই গৈ থাকোতে পান দোকানীয়ে তাইৰ বেগ দেখি ৰ'বলৈ কৈছিল, কিন্তু তাই ৰোৱা নাছিল। বৰফ বেপাৰীয়েও তাইক মাত দিছিল, কিন্তু তাই উত্তৰ নিদিয়াকৈ গুচি গৈছিল। সকলোৱে তাইৰ কিনো হ'ল বুলি চিন্তিত হৈছিল। তেনেতে পান দোকানীজনে এটা ডাঙৰ ষাঁড় গৰুৱে তাইক চোঁচা লৈ খেদি অহা দেখিছিল।

## মেকুৰীৰ চুলি

এখন হাবিত এটা চতুৰ বান্দৰৰ এখন চেলুন আছিল। চুলি-দাড়ি কাটিবলৈ সকলোবোৰ জীৱ-জন্তু সেইখন চেলুনলৈকে গৈছিল। এবাৰ নোমাল মেকুৰী এটাই বান্দৰৰ চেলুনখনত গ'ল। বান্দৰে মেকুৰীৰ চুলি কাটি টকলা কৰি দিলে। মেকুৰীয়ে আইনাখন চাই তাৰ মূৰৰ এডালো চুলি নেদেখি খঙত ৰঙা-চিঙা হ'ল। তাক দেখি হাবিত সকলো জীৱ-জন্তুৱে হাঁহিবলৈ ধৰিলে। মেকুৰীৰ মনৰ বেজাৰ বুজি পাই তাৰ প্ৰিয় বন্ধু কুকুৰে নাৰিকলৰ কোৰোকা এটা টুপী হিচাপে পিন্ধিবলৈ উপহাৰ দিলে।

## বাছত বাঘৰ পোৱালি

এদিন এখন চিৰিয়াখানাৰ পৰা এটা বাঘৰ পোৱালি মনে মনে ৰাস্তালৈ ওলাই আহিল। পোৱালিটো ওলাই আহি ৰাস্তাত থকা বাছ এখনত উঠিল। বাছত বহি থকা মানুহবোৰে বাঘৰ পোৱালিটো দেখি বাছৰ পৰা দৌৰি ওলাই নামি গ'ল। খালী বাছখনত পোৱালিটোৱে আনন্দত ইফালে-সিফালে জঁপিয়াই জঁপিয়াই গাড়ীৰ চালকৰ ওচৰ পালেগৈ। কি কৰোঁ, কি নকৰোঁ বুলি ভাবি বুধিয়ক চালকজনে গাড়ীখন ঘূৰাই পুনৰ চিৰিয়াখানালৈ লৈ গ'ল। তাতে তেওঁ বাঘৰ পোৱালিটো গতাই দিলে। বাঘৰ পোৱালিটোৱে গোটেই বাছৰ যাত্ৰাটো কিন্তু বৰ উপভোগ কৰিলে।





..........................................

## শিয়াল আৰু বগলীৰ কাহিনী

এদিন এটা শিয়ালে বগলী এটাক ৰাতিৰ আহাৰ খাবলৈ মাতিলে। সন্ধিয়া বগলীটোৱে শিয়ালৰ কথামতে তাৰ ঘৰ পালেগৈ। শিয়ালে আদৰি আনি বগলীক বহিবলৈ দিলে। তাৰপাছত শিয়ালে পাকঘৰৰ পৰা দুয়োৰে বাবে দুখন কাঁহীত পায়স লৈ আনিলে। বগলীৰ সন্মুখত পায়সৰ কাঁহীখন দি খাবলৈ ক'লে আৰু শিয়ালে নিজেও জুতি লগাই খাবলৈ ধৰিলে। বগলীয়ে কাঁহীৰ পৰা পায়স খাব পৰা নাছিল। শিয়ালে বগলীটোক পায়স নোখোৱাৰ কাৰণ সুধিলে। শিয়ালে বগলীৰ পায়স নোখোৱা কাৰণ জানি দুখ কৰিলে। তেতিয়া বগলীয়ে খাব পৰাকৈ শিয়ালে এটা চুঙাত পায়স আনি দিলে। বগলীয়ে ৰং মনেৰে পায়স খালে।

## চিৰিয়াখানা

দেওবাৰে হিয়া আৰু হিমক দেউতাকে চিৰিয়াখানা দেখুৱাবলৈ নিলে। চিৰিয়াখানাত বাঘ, হাতী, ভালুক দেখি দুয়ো বৰ ৰং পালে। তাত খাবৰ বাবে সিহঁতে ভিন ভিন ফল, মিঠাই, কেক্ আদি লৈ গৈছিল। অলপ সময় চিৰিয়াখানাত ঘূৰি সিহঁতে লগত নিয়া ফল, মিঠাই আদি খালে। তাৰ পাছত সিহঁতে বিভিন্ন চৰাই চাবলৈ গ'ল। চিৰিয়াখানাত হিয়াই প্ৰথমতে বাঘৰ গোজৰণি শুনি ভয় খাইছিল। তাই ভয়তে দেউতাকক সাৱটি ধৰিলে। তেতিয়া দেউতাকে তাইক ভয় নকৰিবলৈ কৈছিল। হিমে আকৌ ভালুকটো দেখি বৰ ৰং পালে। এনেদৰে সিহঁতে দিনটো চিৰিয়াখানাত কটাই ঘৰলৈ উভতি আহিল।

## খলিহনাৰ বিয়া

আজি দীপৰ বিলৰ মাছবোৰৰ মনত ৰং লাগিছে। কাৰণ আজি খলিহনা মাছৰ বিয়া। বিয়াত পুঠি, গৰৈ, কাৱৈ সকলোৱে গোট খাইছে। সকলোৰে গাত নতুন ৰঙীন কাপোৰ। কিছুমানে গীত গাইছে, কিছুমানে নাচিছে। বিয়ালৈ ডাঙৰ মাছবোৰো আহিছে। সকলোৱে বৰ উলাহেৰে কথা পাতিছে। চেঙেলীয়ে এচুকত বহি তামোল কাটিছে। বৰালীয়ে বহু দিনৰ মূৰত গৰৈক লগ পাই খা-খবৰ সুধিলে। বিয়াত ভিন ভিন মিঠাই, কেক্, লুচি-ভাজি খাই সকলোৱে বৰ ভাল পালে। ৰৌ মাছে দেৰিকৈ ভু... ভু... কৈ গাড়ী চলাই আহি পালে। ৰৌ মাছে খলিহনাক এযোৰ কাপোৰ উপহাৰ দিলে। সময়ত দৰা আহি খলিহনাক বিয়া পাতিলে। ডাঙৰ-সৰু সকলোবোৰ মাছে একেলগে লগ হৈ বৰ আনন্দ কৰিলে।

## বুধিয়ক শিয়াল

এখন হাবিত এটা শিয়াল আছিল। সি অনাই-বনাই গোটেই হাবিখনত আহাৰ বিচাৰি ঘূৰি ফুৰিবলৈ ধৰিলে। ঘূৰি ফুৰোতে তাৰ বৰ ভাগৰো লাগিছিল। শেষত সি এজোপা আঙুৰ গছ দেখিলে। আঙুৰ গছজোপাত থোপা-থোপে আঙুৰ লাগি থকা দেখিলে। আঙুৰবোৰ দেখা পাই শিয়ালৰ বৰ ভোক লাগিল। সি ভাবিলে, 'আঙুৰবোৰ নিশ্চয় বৰ মিঠা।' সি আঙুৰবোৰ ছিঙিবলৈ চেষ্টা কৰিলে। কিন্তু সি আঙুৰবোৰ বৰ ওখত থকা বাবে ঢুকি পোৱা নাছিল। আঙুৰৰ গছজোপা বৰ ওখ আছিল। শিয়ালে বাৰে-বাৰে চেষ্টা কৰিও আঙুৰবোৰ ছিঙিবও নোৱাৰিলে, খাবও নোৱাৰিলে। সি শেষত এটা বুদ্ধি উলিয়ালে। সি তাৰ লগৰীয়াবোৰক মাতি আনিলে। সিহঁতে এটাৰ পিঠিত এটা উঠি আঙুৰবোৰ ছিঙি আনি সমানে ভগাই খালে।

## বেলি আৰু বতাহ

বহু দিন আগৰ কথা। বেলি আৰু বতাহৰ কাজিয়া লাগিল। বেলিয়ে কয়- "মোৰ বল বেছি।" বতাহে কয়- "মোৰহে বল বেছি।" শেষত দুয়ো ইয়াৰ পৰীক্ষা কৰি চাবলৈ ঠিক কৰিলে। আলিবাটেৰে এজন বাটৰুৱা গৈ আছিল। তেওঁৰ গাত এখন চাদৰ আছিল। বেলি আৰু বতাহে থিৰ কৰিলে যে যিজনে বাটৰুৱা জনৰ গাৰ পৰা চাদৰখন গুচাব পাৰিব তেওঁৰেই বল বেছি বুলি ধৰা হ'ব। পোনতে বতাহৰ পাল পৰিল। বতাহে অতি বেগেৰে বতাহ বোৱাব ধৰিলে। বতাহ যিমানে বেগেৰে বলে বাটৰুৱাই চাদৰখন টানি লয়। বতাহে বাটৰুৱাৰ চাদৰখন গুচাব নোৱাৰিলে। তাৰ পিছত বেলিৰ পাল পৰিল। বেলিয়ে নিজৰ তাপ বঢ়াই দিলে। বাটৰুৱাজনে তাপ সহিব নোৱাৰি গাৰ চাদৰখন গুচাই গছৰ ছাঁত বহিল। বেলি জিকিল। বতাহে বেলিৰ বল বেছি বুলি মানি ল'লে।

## ভালুক আৰু কাছ

এখন হাবিত এটা ভালুক আছিল। সি এদিন আহাৰ বিচাৰি নদীৰ পাৰে পাৰে ঘূৰি ফুৰিছিল। সি গৈ গৈ বালিৰ চাপৰিত কাছ এটা চৰি ফুৰা দেখিলে। কাছটো দেখি সি ভাবিলে- "আজি ইয়াকেই খাই পেট ভৰাব লাগিব।" ভালুকটোৱে সময় নষ্ট নকৰি কাছটোৰ ওচৰলৈ আগবাঢ়ি গ'ল। ভালুকটো আহি থকা দেখি কাছই ভয়তে তাৰ হাত-ভৰি, মূৰ আদি তাৰ চলঙৰ ভিতৰত সোমোৱাই ল'লে। কাছই মনতে ভাবিলে- "চাওঁছোন ভালুকে মোক কেনেকৈ খায়।" ইফালে ভালুকেও কাছৰ ওচৰ পাই কাছৰ হাত, ভৰি, মুখ নেদেখি ক'বলৈ ধৰিলে -

"টিলিং টালাং সদা শিৰ,
হাত-ভৰি নাই কেনে জীৱ?"

ভালুকৰ মাত শুনি কাছটোৱে ক'লে-

"চকু থাকোতে নহ'বা কণা,
খাব খোজা যদি তিয়াই আনা।"

কাছৰ কথা শুনি ভালুকে কাছটোক নদীৰ পানীত ধুবলৈ নিলে। পানী পোৱাৰ লগে লগে কাছটো আঁতৰলৈ গুচি গ'ল। ভালুকে অলপ সময় পানীলৈ চাই থাকি বেজাৰ মনেৰে আঁতৰি গ'ল।



# সাঁথৰ

(শিক্ষকে সপ্তাহ-৫ ৰ পৰা দৈনিক এটাকৈ সাথঁৰৰ খেল খেলিব)


১ শদিয়ালৈ নাযাবা, সৎ ফুল নাখাবা, কেঁচা পাতত নাবান্ধিবা লোণ।
উপজিয়ে ৰঙা হয় কোন?



২ শদিয়ালৈ নাযাবা, সৎ ফুল নাখাবা, কেঁচা পাতত নাবান্ধিবা লোণ।
উপজিয়ে বুঢ়া হয় কোন?



৩ ওপৰৰ পৰা পৰিল টেকেলী
টেকেলীৰ ভিতৰত এশ ভেকুলী।




৪ এঠেঙীয়া বগলী
নিতৌ নাচে গধূলি।

আঠুৱাৰ

ছবি

৫ এনু এনু এনু
ধৰিবলৈ নাই ঠেনু।



৬ উপি উপি উপি
বাটত আছে চুপি।



৭ এটা মাছৰ দুখন ফিছা
বুৰ মাৰিলেই সকলো মিছা।





# সাঁথৰ

**৮** গছ কাটিবলৈ গ'লো
গছ আছে মৰি, ফল আছে লাগি।

উত্তৰ ঃ কোমোৰা

**৯** বগা-বগা চাহাবৰ
ক'লা-ক'লা টুপি
খুন্দা এটা মাৰি দিলেই
খঙত উঠে জ্বলি।

উত্তৰ ঃ জুইশলা

**১০** ছালখন বগা
পেটটো ক'লা
এইটো নো কি মোক খাবলৈ দিলা?

উত্তৰ ঃ তিলপিঠা

**১১** চিৎ পখিলা
তিনি মূৰ, দহ ঠেং
ক'ত দেখিলা?

উত্তৰ ঃ হালোৱা আৰু গৰু

**১২** জোন নহয়, বেলিও নহয়
পোহৰ দি থাকে
মহো নহয়, ডাহো নহয়
ৰস চুহি থাকে।

উত্তৰ ঃ লেম

**১৩** ডিঙি আছে,
মূৰ নাই,
হাত আছে, ভৰি নাই
এইটো নো কি কোৱাচোন ভাই?

উত্তৰ ঃ চোলা

**১৪** বাঘ নহয়, মানুহ খায়,
পখী নহয় উৰি যায়,
বৰল নহয় শুং আছে,
জন্তু নহয়, ঠেং আছে।

উত্তৰ ঃ মহ





.......................................

টোকা



প্ৰস্তুতকৰণ
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়োঁ, সকলোৱে আগবাঢ়োঁ